অসমীয়া প্ৰতিদিন

অসমীয়া প্ৰতিদিন ■ উত্তৰ লখিমপুৰ ■ মঙলবাৰ, ৯ আগষ্ট, ২০২২/২৩ শাওণ, ১৯৪৪ শক

## নৰ্থ লখিমপুৰ কলেজ-সাহিত্য অকাডেমীৰ উদ্যোগত বিশেষ অনুষ্ঠান

# 'অসমীয়া গদ্য লিখন কৌশলৰ বিৱৰ্তন' শীৰ্ষক আলোচনাচক্ৰ সম্পন্ন

**প্ৰতিদিন সংবাদ, লখিমপুৰ, ৮ আগষ্ট ঃ** ভাৰতীয় সাহিত্য অকাডেমী আৰু নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত আজি 'অসমীয়া গদ্য লিখন কৌশলৰ বিৱৰ্তন' শীৰ্ষক এখন আলোচনা চক্ৰ সম্পন্ন হৈ যায়। প্ৰিয়ংকা হাজৰিকা আৰু প্ৰেৰণা চমুবাৰ বৰগীতেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত সভাপতিত্ব কৰে অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। দৰ্শন বিভাগৰ মুৰব্বী ড° বৰ্ণালী বৰাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্জ্বলন কৰে শিক্ষাবিদ ড° মুকুন্দ ৰাজবংশীয়ে। সাহিত্য অকাডেমীৰ কলকাতাস্থিত আঞ্চলিক কাৰ্যালয়ৰ অনুষ্ঠান প্ৰাধিকাৰী ড° মিহিৰ কুমাৰ চাহুৱে আদৰণী ভাষণ প্ৰসংগত সাহিত্য অকাডেমীয়ে যুৱ সাহিত্যিকৰ বাবে আগবঢ়োৱা বিভিন্ন সুবিধাৰ বিষয়ে অৱগত কৰে। অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° বসন্ত কুমাৰ গোস্বামীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকি আলোচ্য বিষয়ৰ সন্দৰ্ভত বক্তব্য দাঙি ধৰা অনুষ্ঠানত মূল ভাষণ প্ৰদান কৰে বিশিষ্ট সাহিত্যিক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° কৰবী ডেকা হাজৰিকাই। ঔপন্যাসিক জয়ন্ত মাধৱ বৰাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা সত্ৰৰ প্ৰথম কাৰিকৰী বৈঠকত গৱেষণা পত্ৰ পাঠ কৰে ক্ৰমে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অজিৎ ভৰালী, গুৱাহাটী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° স্মৃতিৰেখা ভূঞা আৰু গোলাঘাটৰ এইচ পি বি মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক দিব্যজ্যোতি বৰাই। তেওঁলোকে অসমীয়া উপন্যাস, ভ্ৰমণ সাহিত্য আৰু চুটিগল্পত ব্যৱহৃত গদ্যৰ বিৱৰ্তন সম্পৰ্কে আলোকপাত কৰে। আলোচনা চক্ৰৰ দ্বিতীয় তথা অন্তিম সত্ৰৰ সঞ্চালনা কৰে বিশিষ্ট ঔপন্যাসিক তথা গদ্য লেখক ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীয়ে। এই সত্ৰত সাম্প্ৰতিক অসমীয়া চুটিগল্পৰ গদ্যৰ বিৱৰ্তন সম্পৰ্কে আলোচনা কৰে বিশিষ্ট গল্পকাৰ তথা 'সাতসৰী' আলোচনীৰ কাৰ্যবাহী সম্পাদক অতনু ভট্টাচাৰ্যই। অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট গদ্য লেখক তথা চিন্তাবিদ ময়ূৰ বৰাই ঊনবিংশ শতিকাত অসমীয়া গদ্যই লাভ কৰা আধুনিক ৰূপটোৰ সন্দৰ্ভত ভাষণ প্ৰদান কৰাৰ লগতে লক্ষ্মীনাথ বেজবৰুৱা, গুণাভিৰাম বৰুৱা প্ৰমুখ্যে সাহিত্যিকসকলৰ লগতে জোনাকী যুগে অসমীয়া সাহিত্যত কৰা প্ৰাণ সঞ্চাৰ সম্পৰ্কে বক্তব্য দাঙি ধৰে। নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী ড° অৰবিন্দ ৰাজখোৱাই 'অসমীয়া জীৱন-উৎকৰ্ষমূলক গদ্য সাহিত্য লিখন কৌশলৰ বিৱৰ্তন' বিষয়টো আনন্দৰাম ঢেকিয়াল ফুকন, সত্যনাথ বৰা, হোমেন





বৰগোহাঞিঃ আৰু দেৱকান্ত সন্দিকৈৰ ৰচনাৰ উল্লেখেৰে বিশ্লেষণ কৰে। এই অনুষ্ঠানতে চলিত বৰ্ষত অসম চৰকাৰৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটাপ্ৰাপক বিশিষ্ট চিত্ৰশিল্পী চন্দ্ৰকমল গগৈক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ বিভিন্ন কাৰ্যসূচীত ড° স্বপ্নালী গগৈ, ড° হেমন্ত শৰ্মা, ড° ধনৰঞ্জন কলিতা, ড° ৰাতুল কুমাৰ লাহন, ড° নন্দিতা দত্ত, মুনমী দত্ত, ড° ধীৰাজ পাতৰ, মেঘালী দত্ত, পৰেশ খনিকৰ, অসীম শইকীয়া, শোভাকৃষ্ণ ফুকন, পুৱালী বৰা, প্ৰাৰ্থনা দত্ত, সঞ্জয় আচাৰ্য আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটি সফল কৰি তোলাত সহযোগিতা আগবঢ়োৱা সকলোকে আলোচনা চক্ৰৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাই কৃতজ্ঞতা জ্ঞাপন কৰে।